# দুধনৈ মহাবিদ্যালয় আলোচনী

## ২০১৫-১৬




তত্ত্বাৱধায়িকা : ড° দিপালী ডেকা

সম্পাদক : প্ৰণৱ দত্ত








DUDHNOI

Library copy

# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

৪৪ তম বৰ্ষ ঃ ঊনত্ৰিংশত্তম সংখ্যা
২০১৫-১৬ বৰ্ষ

প্ৰতি,

মাননীয়/ মাননীয়া

.............................................................

.............................................................

তত্বাবধায়িকা ঃ ড° দিপালী ডেকা

সম্পাদক ঃ প্ৰণৱ দত্ত

***Dudhnoi Mahavidyalaya Alochani :*** An annual collection of articles written in Assamese, Bodo and English, Published by Dudhnoi College Students' Union, Dudhnoi College, Dudhnoi, 783124, Editor : Pranab Dutta and Prof.in-charge : Dr. Dipali Deka.

# দুধনৈ মহাৱিদ্যালয় আলোচনী

## সম্পাদনা সমিতি

সভাপতি ঃ ড° গোপাল ফুকন

তত্বাৱধায়িকা ঃ ড° দিপালী ডেকা

সম্পাদক ঃ প্ৰণৱ দত্ত

সদস্য / সদস্যাবৃন্দ ঃ ৰাহিদা বেগম
ড° ৰজত চন্দ্ৰ ৰাভা
ড° জীৱেশ্বৰ কোচ
শ্ৰী বন্দিতা বৰবৰা
শ্ৰী দিলীপ হাজৰিকা
শ্ৰী নৰেন দাস
শ্ৰীবুদ্ধিৰাজ বড়ো

বেটুপাত,অঙ্গ সজ্জা আৰু অলঙ্কৰণ ঃ
ড° দিপালী ডেকা
অমৃত সিনহা
ৰাতুল বৰ্মন

মুদ্ৰণ ঃ শৰাইঘাট অফছেট প্ৰেছ
বামুণীমৈদাম, গুৱাহাটী - ২১

# অধ্যক্ষৰ কলম



এখন শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশটো কেনেকুৱা হ'ব সেইকথা নিৰ্ভৰ কৰে শিক্ষানুষ্ঠানখনৰ মুৰব্বীগৰাকী (অধ্যক্ষ), শিক্ষক-শিক্ষয়িত্ৰী আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্তব্যবোধ, দায়িত্বজ্ঞান আৰু অনুষ্ঠানখনৰ সৰ্বাঙ্গীন বিকাশ সম্পৰ্কীয় দিশবোৰৰ প্ৰতি থকা তেওঁলোকৰ আন্তৰিকতাৰ ওপৰত। নিষ্ঠা আৰু আন্তৰিকতাৰে কৰা যিকোনো কামৰ পৰা আত্মসন্তুষ্টি লাভ কৰিব পাৰি। ইয়াৰ বিপৰীতে নিজৰ কৰণীয় কামবোৰ দায়িত্ব সহকাৰে পালন নকৰি কেৱল আনৰ ওপৰত দোষ জাপি নিজৰ দায় এৰাই চলা মনোবৃত্তি যিকোনো ব্যক্তিৰ নিজৰ বাবেই ক্ষতিকাৰক।

বিগত বৰ্ষত দুধনৈ মহাবিদ্যালয়ত হোৱা বিভিন্ন উন্নয়নমূলক কামৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য কামটো আছিল ' National Assessment and Accreditation Council', চমুকৈ 'NAAC' অৰ্থাৎ 'ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ'য়ে মহাবিদ্যালয়খন পৰিদৰ্শন কৰাটো। 'নাক' য়ে প্ৰেৰণ কৰা পৰিদৰ্শকৰ তিনিজনীয়া দলটিৰ সদস্যসকল আছিল ক্ৰমে অধ্যাপক টংক বাহাদুৰ চুব্বা, উপাচাৰ্য্য, চিক্কিম বিশ্ব[illegible]জি. নেচি, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, দৰ্শন বিভাগ, কেৰেলা বিশ্ববিদ্যালয় আৰু ড° পি এ এচ নাইডু, অধ্যক্ষ, সৎবন্ধু বিজ্ঞান মহা[illegible]।

[illegible]দৰ্শনৰ ফলশ্ৰুতিত আমাৰ মহাবিদ্যালয়খনে B গ্ৰেডসহ 2.76 CGPA নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। 'নাক' ৰ মূল্যাংকনৰ পূ[illegible] হিচাবত বৰ্ত্তমানৰ এই মান $B^{++}$ ৰ সমতুল্য। ২০১৫ চনৰ ছেপ্তেম্বৰ মাহত অসমৰ যিকেইখন মহাবিদ্যালয় 'নাক' য়ে পৰিদৰ্শন কৰি মূল্যাংকন কৰিছিল তাৰে নামনি অসমৰ মহাবিদ্যালয়কেইখনৰ ভিতৰত আমাৰ মহাবিদ্যালয়খনৰ মান (2.76 CGPA) আছিল সৰ্বোচ্চ। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ IQAC ৰ সমন্বয়ক ড° মনোজ গগৈ আৰু উপ-সমন্বয়কদ্বয় ক্ৰমে শ্ৰীদিবাকৰ নাথ আৰু শ্ৰীৰূপজ্যোতি মজুমদাৰৰ অহৰহ পৰিশ্ৰমৰ নথৈ শলাগ লৈছো। ইয়াৰ অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগৰ ফলত এই কৃতিত্ব লাভ সম্ভৱপৰ হৈছে, সেয়েহে তেখেতসকল আমাৰ ধন্যবাদৰ পাত্ৰ।

২০০৩ চনৰ ছেপ্তেম্বৰ মাহত 'নাক' য়ে প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়খন পৰিদৰ্শন কৰিছিল আৰু তাত অনুষ্ঠানটিয়ে 'B' গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছিল। 'নাক' ৰ নিয়ম অনুযায়ী ২০০৩ চনৰ পিছত দ্বিতীয়টো পৰিদৰ্শন ২০০৮ চনতেই হ'ব লাগিছিল যদিও, উক্ত কামখিনি চলাবলৈ দায়িত্ব অৰ্পণ কৰাৰ ক্ষেত্ৰত অধ্যক্ষ হিচাপে মই লোৱা কিছুমান ভুল সিদ্ধান্তৰ বাবে এই গোটেই প্ৰক্ৰিয়াটো প্ৰায় সাত বছৰ পিছুৱাই গ'ল। আটাইতকৈ ডাঙৰ কথাটো হ'ল এই যে মোৰ এই ভুল সিদ্ধান্তই মোক গোৰ মাৰি গঙ্গাত পেলোৱাৰ দৰে হ'ল। কিয়নো ২০১১ চনৰ পৰা ২০১৪ চনৰ ভিতৰত অসম চৰকাৰে প্ৰত্যেকখন মহাবিদ্যালয়ক আন্তঃগাথনি উন্নয়নৰ (ডিজিটেল লাইব্ৰেৰী, ডিজিটেল ক্লাছৰূম) বাবে এক কোটিকৈ টকা আবণ্টন দিছিল আৰু সেই টকা আমি ২০১১-১২ বৰ্ষত লাভ কৰো। একেটা বৰ্ষতে উক্ত ধনেৰে মহাবিদ্যালয় চৌহদৰ সন্মুখভাগত ১৫,০০০ বৰ্গফুটৰ এটি তিনিমহলীয়া ভৱন (বৰ্ত্তমান লাইব্ৰেৰী থকা ভৱনটি) নিৰ্মাণ কৰি উলিওৱা হৈছিল। এই ভৱনটি অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালক মাননীয় শ্ৰীযুত ফণীন্দ্ৰ জিডুং ডাঙৰীয়াই উদ্বোধন কৰি ইয়াক সময়মতে নিৰ্মাণ কৰি উলিওৱাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছিল।

ইয়াৰ পৰৱৰ্ত্তী কালত অৰ্থাৎ ২০১৩ চনত উক্ত ভৱনটিৰ মুখামুখিকৈ ১২,০০০ বৰ্গফুটৰ অইন এটি তিনিমহলীয়া 'প্ৰশাসনীয় ভৱন' নিৰ্মাণ কৰি উলিওৱা হয়। 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ ফালৰ পৰা দুটা কিস্তিত লাভ কৰা ১৬ লাখ টকাৰ সৈতে মহাবিদ্যালয়ৰ অন্যান্য বিত্তীয় শিতানৰ পৰা চান কাঢ়ি উলিওৱা কিছু ধন যোগ দি কোনোমতে জোৰা-টাপলি মাৰি ২০১৫ চনৰ মধ্য ভাগত এই ভৱনটি সম্পূৰ্ণ কৰি উলিওৱা হয়। উল্লেখযোগ্য যে মহাবিদ্যালয়খন স্থাপন হোৱাৰ চাৰিটা দশকৰ পিছত ইয়াৰ চৌহদত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ধনেৰে আৰম্ভ কৰা এটি ইন্দ'ৰ ষ্টেডিয়াম নিৰ্মাণৰ কাৰ্য বৰ্ত্তমান প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু ইয়াৰ পৰা ভৱিষ্যতে অনুষ্ঠানটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটি বহুদিনীয়া অভাৱ পূৰণ হ'ব।

যি নহওক 'নাক' য়ে কৰা মূল্যাংকনৰ বৰ্ত্তমানৰ প্ৰাপ্তিক লৈ আমি আত্মসন্তুষ্টিত মজি থাকিলে নহ'ব। কিছুমান ইতিবাচক দিশৰ ভিত্তিত আমি ভাল নম্বৰ পাবলৈ সক্ষম হৈছো যদিও যিবোৰ নেতিবাচক দিশ 'নাক' ৰ সজাতি দলটিয়ে আমাক আঙুলিয়াই দি থৈ গ'ল সেইবোৰ চৰকাৰ, স্থানীয় ৰাইজৰ সহায়-সহযোগ আৰু লগতে দুধনৈ মহাবিদ্যালয় পৰিয়ালৰ সক্ৰিয় ভূমিকাৰ যোগেদি অদূৰ ভৱিষ্যতে মহাবিদ্যালয়খনে তিনিতকৈ অধিক CGPA লাভৰ বাবে অৰ্থাৎ 'A' গ্ৰেড লাভৰ বাবে যোগ্যতা অৰ্জন কৰিব পাৰিব বুলি আমি পৰম আশাবাদী।

সামৰণিত মহাবিদ্যালয়খনত অধ্যয়নৰত প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে পঢ়া-শুনাত বিশেষ কৃতিত্ব অৰ্জন কৰি এক সু-প্ৰতিষ্ঠিত উজ্জ্বল ভৱিষ্যত জীৱনৰ গৰাকী হোৱাৰ লগতে প্ৰকৃত মানুহ হয় তাৰ বাবে যাচিলোঁ মোৰ আন্তৰিক শুভাশীৰ্বাদ।

'জয়তু দুধনৈ মহাবিদ্যালয়'

গোপাল ফুকন

ড° গোপাল ফুকন
অধ্যক্ষ, দুধনৈ মহাবিদ্যালয়

# সম্পাদকীয়



প্ৰতিবেদনৰ পাতনিতে  যিসকল মহান ব্যক্তিৰ ত্যাগ তথা শ্ৰমৰ ফলত গোৱালপাৰা জিলাৰ এক উচ্চ শিক্ষাৰ মন্দিৰ দুধনৈ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে, সেই মহান ব্যক্তিসকলক এই সুযোগতে শত সহস্ৰ প্ৰণাম জনালো। যিসকল বীৰ শ্বহীদে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিলে সেইসকল মহান আত্মাৰ চিৰশান্তি কামনা কৰিলো। এই সুযোগতে মোৰ মৰমৰ বন্ধু বান্ধবী, ভাইটি-ভণ্টি আৰু দাদা-বাইদেউসকলে নিজ বিবেচনাৰে মোক দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰা বাবে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিশেষকৈ ৰাজেশ, ৰশ্মি, ৰূপম, প্ৰিয়ংকা, লীনা, মণিকা, ৰঞ্জু, ডালিম, খঞ্জন, দিগম্বৰ, বিচিত্ৰা, অভিৰাম, দ্বীপ, তুষাৰ, দিলদাৰ, কুলদ্বীপ, মানসজ্যোতি আদিয়ে মোক নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ পৰা আৰম্ভ কৰি ভোট গণনালৈকে যিদৰে সহায়ৰ হাত আগবঢ়ালে সেইবাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

অসমৰ পিছপৰা অঞ্চলবোৰত গঢ়লৈ উঠা শিক্ষানুষ্ঠানসমূহৰ ভিতৰত গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয় অন্যতম। ৰাইজৰ বহুত দুখ-কষ্টৰ ফলত দুধনৈ মহাবিদ্যালয়ে ১৯৭২ চনৰ ৪ আগষ্টত জন্ম লাভ কৰে আৰু সেয়াৰ পৰাই ইয়াত শিক্ষাদান কাৰ্য চলি আহিছে।

সাম্প্ৰতিক কালছোৱাত শিক্ষা গ্ৰহণ সকলোৰে বাবে অপৰিহাৰ্য হৈ পৰিছে। শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি, শক্তিয়েই ভক্তি আৰু শিক্ষাই সৰ্বোত্তম।

অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ, বিভিন্ন জাতি জনগোষ্ঠী, ধৰ্ম-ভাষা আৰু সংস্কৃতিৰ মিলন সেতু দুধনৈ মহাবিদ্যালয়খন নামনি অসমৰ এখনি লেখত ল'বলগীয়া মহাবিদ্যালয়। এনে এখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিব পোৱাটো আমাৰ বাবে সৌভাগ্যৰ কথা আৰু দুধনৈ মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান এখনৰ আলোচনী বিভাগৰ সম্পাদকৰ দৰে এটা গুৰুত্বপূৰ্ণ বিষয়বাবত অধিষ্ঠিত হৈ ছাত্ৰ-ছাত্ৰীসকল তথা মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰি মই ধন্য মানিছো। পূৰ্বৰ সম্পাদকীয় প্ৰতিবেদনবোৰত দেখা যায় যে আলোচনীৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অভাৱ হয়। কিন্তু এইবাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা লিখনি প্ৰেৰণৰ ক্ষেত্ৰত কোনো অভাৱ দেখা নগ'ল আৰু সেয়ে মই মোৰ নিজ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ লিখনিৰে আলোচনীখন সময়মতে উলিয়াবলৈ সক্ষম হৈছো আৰু মনত বহুত আনন্দ লাভ কৰিছোঁ। মোক পদে পদে দিহা পৰামৰ্শ আগবঢ়াই আলোচনীখন প্ৰকাশৰ পথ সুগম কৰাৰ বাবে মাননীয় অধ্যক্ষ ড° গোপাল ফুকন ছাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্য পৰিচালনাৰ সকলোবোৰ দিশত মোক এশ শতাংশই পথ-প্ৰদৰ্শন কৰা পৰম শ্ৰদ্ধাৰ তত্বাবধায়িকা , মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ শিক্ষাগুৰু ড° দিপালী ডেকা বাইদেউলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ মহাবিদ্যালয় স্তৰৰ মানদণ্ড বজাই ৰাখিবলৈ বাইদেউৰে কৰা অহৰহ প্ৰচেষ্টা সঁচাকৈয়ে শলাগিবলগীয়া।

২০১৫-১৬ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা থিতাতে লিখা গল্প, প্ৰবন্ধ, কবিতা, প্ৰতিযোগিতাত মোক সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকললৈ আৰু ছাত্ৰ-একতা সভাৰ সমূহ সদস্য-সদস্যালৈ  মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য-কালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই ক্ষমা প্ৰাৰ্থী। পৰিশেষত দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু উন্নতি কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

জয় আই অসম

জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**শ্ৰীপ্ৰণৱ দত্ত**

আলোচনী সম্পাদক, দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১৫-১৬ বৰ্ষ

DUDHNOI CO GE LIBRARY
ESTD 1972
Dudhnoi, Goalpara, Assam

# শ্ৰদ্ধাঞ্জলি



জন্ম ঃ ২২ মে', ১৯৩৫ ইং চন

মৃত্যু ঃ ৩০ মাৰ্চ, ২০১৬ ইং চন

১৯৭২ চনত দুধনৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা লাভ কৰাৰ পৰা আৰম্ভ কৰি ১৯৭৮ চনত ইয়াৰ কলা শাখাৰ ঘাটিমঞ্জুৰী প্ৰাপ্তিলৈকে অগ্ৰণী ভূমিকা লোৱা আৰু ওৰেটো জীৱন কেৱল দুধনৈ মহাবিদ্যালয় তথা দুধনৈ অঞ্চলৰ উন্নয়ন তথা বিকাশৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা দুধনৈৰ বিশিষ্ট সমাজ সেৱিকা, শিক্ষাবিদ তথা অসম বিধান সভাৰ দুধনৈ সমষ্টিৰ প্ৰাক্তন বিধায়িকা প্ৰয়াত আনন্দীবালা ৰাভা মহাশয়াক দুধনৈ মহাবিদ্যালয় পৰিয়ালে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক —

# সূচীপত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ


| | | |
|---|---|---|
| বৌদ্ধিক কছৰৎ আৰু অসম | ড°জীৱেশ্বৰ কোচ | ৭ |
| আনন্দময় জীৱন লাভৰ শ্ৰেষ্ঠ পথ ঃ ৰাজযোগ | ৰমাকান্ত ৰাভা | ৯ |
| মহিলা সবলীকৰণৰ কিছু প্ৰাসঙ্গিকতা | জগবন্ধু কলিতা | ১১ |
| প্ৰাচীন কামৰূপৰ ....... এক চমু অৱলোকন | ড°আবুল হুছেইন | ১৪ |
| মোৰ নিজৰ কথাৰে | বিশ্বৰঞ্জন ভট্টাচাৰ্য | ১৬ |
| বিশ্বশিল্পী ড° ভূপেন হাজৰিকা | কুলদ্বীপ মেধি | ১৭ |
| চৰকাৰী প্ৰাথমিক বিদ্যালয় .... কাৰ্য্যাৱলী | মণ্টু কলিতা | ১৮ |
| শিশুৰ বিকাশ আৰু বৰ্দ্ধন — এটি আলোচনা | ড°পাৰুল নাথ | ২০ |
| হতাশা, ত্যাগ আৰু নাৰী | পপি ৰয় | ২২ |
| মোৰ মৰমৰ দুধনৈ কলেজ | চিম্পী কলিতা | ২৩ |
| মোৰ জীৱনৰ সোণালী স্মৃতি | লখিমী ৰাভা | ২৪ |
| দুধনৈ মহাবিদ্যালয়ৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত | কংকনা ৰায় | ২৫ |
| দুধনৈ মহাবিদ্যালয় | টিৰচ ৰাভা | ২৬ |
| স্বপ্নৰ দৌৰ, স্বপ্নৰ সমাধি, ইত্যাদি.... | জিতুমণি পাঠক | ২৭ |
| সামাজিক দায়বদ্ধতা ঃ এটি চমু আলোচনা | তৰুণ চাংমাহ | ৩০ |


### গল্প


| | | |
|---|---|---|
| অথঃ বন্ধুত্ৰয় কথা | ড°ৰজত চন্দ্ৰ ৰাভা | ৩২ |
| মোৰ নামটো কি আছিল ... ? | পল্লৱী সূত্ৰধৰ | ৩৫ |
| সোঁৱৰণীৰ এটি পৃষ্ঠা | অনুৰাধা ৰাভা | ৩৬ |
| বন্ধুত্ব | লভিতা ৰাভা | ৩৭ |
| এই প্ৰেম মাথো তোমাৰ বাবে | প্ৰণৱ দত্ত | ৩৮ |
| মৰহা জীৱন | ৰূপম দাস | ৪০ |


### কবিতা


| | | |
|---|---|---|
| দুটি কবিতা | বীৰেন ভূঞা | ৪১ |
| দীনবান্ধৱীৰ হেঙুলীয়া মোহনাত | ড°নিৰূপা ৰয় বৰুৱা | ৪২ |
| তুমি শুভাঞ্জনা | অৱনীতা সাউদ | ৪৩ |
| দুধনৈ মহাবিদ্যালয়ৰ আত্মকথা | শিখা শৰ্মা | ৪৪ |
| ভালপোৱা | অনুসূয়া ৰয় | ৪৪ |
| মোৰ মন যায় | পূৰবী ৰাভা | ৪৫ |
| ক'ত হেৰাল | ধনোশ্ৰী চৌধুৰী | ৪৫ |
| দুধনৈ মহাবিদ্যালয়ৰ চিনাকি | ছিমি বৰুৱা | ৪৫ |
| শান্তিৰ সন্ধানত | ৰাজেশ উপাধ্যায় | ৪৬ |
| মনমোহিনী | প্ৰিয়ংকাতৰা ৰাভা | ৪৬ |
| সেউজ সুন্দৰী | জ্যোৎস্না সুত্ৰধৰ | ৪৭ |
| আমাৰ মহাবিদ্যালয়খনি | অমৰজ্যোতি দৈমাৰী | ৪৭ |
| প্ৰকৃতি | ৰিম্পী কৰ্মকাৰ | ৪৮ |
| মোৰ সপোনৰ দুধনৈ কলেজ | ধনমণি নাথ | ৪৮ |
| অপৰূপা | জ্যোতি সাহা | ৪৯ |

ৰূপালী নিশা ▶ ৰবিতা ৰাভা ৪৯
প্ৰেৰণাময়ী ▶ হেমপ্ৰভা ৰাভা ৫০
কলেজীয়া দিনবোৰ ▶ বিতুৰাজ ৰাভা ৫০
জ্ঞানদায়িনী ▶ ৰুমী ৰাভা ৫০
তুমি মহিমাময়ী ▶ কীৰ্ত্তিকমল ৰাভা ৫১
মোৰ মন যায় ▶ নাজিমা ৰাভা ৫১
তুমি ▶ ছন্দা নাথ ৫২
চিৰবিনন্দীয়া তুমি ▶ হিমাদ্ৰী ৰাভা ৫২

## ENGLISH SECTION

### Article

A Psychological Orientation of the... ▶ Naren Das ৫৩
Environment, education and mental .... ▶ Dr. Dipali Deka ৫৬
Aspects of Sericulture... ▶ Mridutpal Goswami ৬০
Dudhnoi College, Past, Present & Future ▶ Jyoti Saha ৬৩
Entrepreneurship as a career ▶ Ms Ankita Jain ৬৪
Kindness rewarded ▶ Rashmi Ahmed ৬৫
Tilinga mandir (Bell Temple) ▶ Selja Ramchiary ৬৬
Scientist turned politician : The Missile Man ... ▶ Abdul Kader ৬৭
Students and Social Responsibilities ▶ Dilip Hazarika ৭২
'Education Beyond Barriers'... ▶ Birbol Boro ৭৪

### Poem

Foundation of life ▶ Smrita Rabha ৭৮
Dear diary ▶ Mridusmita Rabha ৭৮

### বড়ো বিভাগ

हारिमु: बेनि ऑथि आरो आखुथाइ ▶ बुद्धि राज बर' ৭৯
दुधनै फरायसालिमा ▶ जेचमिन बसुमतारि ৮১
सोमखीर समायना दुधनै फरायसालिमा ▶ अष्टमी खाखलारी ৮১
जोंनि फरायसालि ▶ प्रनिता बसुमतारि ৮২
दुधनै कलेज ▶ नेहा बसुमतारि ৮২
जोंनि दुधनै कलेस ▶ काजली बसुमतारि ৮৩
बिबार ▶ सिनिस्या खाखलारी ৮৩
दुधनै गोजौमा फरायसालि ▶ धनमनि बसुमतारि ৮৩
गोजोन फैबाय ▶ दैमाली पाटगिरी ৮৪
मुंदाखा दुघनै गोजौमा फरायसाली ▶ प्रियंका बसुमतारि ৮৪
जोंनि समायना कलेज ▶ दामिनि खाखलारी ৮৫
मुंदाखा दुघनै गोजौमा फरायसाली ▶ प्रियंका बसुमतारि ৮৫

বিভাগীয় সম্পাদকীয় প্ৰতিবেদন ৮৬-৯৬
**Students exhibiting ....................** college week 2016 ৯৭-১০০

# বৌদ্ধিক কছৰৎ আৰু অসম ঃ এটি দৃষ্টিকোণ

**ড° জীৱেশ্বৰ কোচ**
সহযোগী অধ্যাপক আৰু মুৰব্বী
বড়ো বিভাগ

বৌদ্ধিক কছৰৎ আৰু অসমৰ বৌদ্ধিক মহল ইত্যাদিৰ প্ৰসংগত ইতিমধ্যে বহু চৰ্চা হৈছে। সেইবোৰৰ চৰ্বিত-চৰ্বণ কৰাৰ প্ৰয়োজন নাই। কিন্তু ভাৰতবৰ্ষৰ দৰে বিশাল উপমহাদেশত বুদ্ধিজীৱী, ৰাজনীতিক তথা গণতন্ত্ৰৰ প্ৰতি আগ্ৰহী ব্যক্তিৰ বৌদ্ধিক কছৰৎ অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ মননশীল বৌদ্ধিক কছৰৎ কৰাৰ দ্বাৰা গণতন্ত্ৰ অধিক অৰ্থবহ হৈ পৰক, এয়া সকলোৰে কাম্য। স্মৰ্তব্য যে প্ৰকৃত বুদ্ধিজীৱি এগৰাকীয়ে সততে গোষ্ঠী, দলীয় মতাদৰ্শ আৰু পাৰ্টিৰ উৰ্দ্ধত থাকি স্বাধীনভাৱে মতামত প্ৰদান কৰে।

সাধাৰণ অভিধানিক অৰ্থ অনুসৰি, সৰ্বসাধাৰণৰ বিপৰীতে বুদ্ধি খটুৱাই জীৱন যাপন কৰা লোকেই বুদ্ধিজীৱী। 'হেমকোষ'ৰ মতে, ধীশক্তি প্ৰয়োগ কৰি জীৱিকা নিৰ্বাহ কৰা লোকজন বুদ্ধিজীৱী। দৈহিক পৰিশ্ৰমৰ বাহিৰে নিজৰ মন-মগজুক উপজীব্য কৰি যিসকলে জীৱন যাপন কৰে, এনে তাত্বিক লোকসকলেই বুদ্ধিজীৱী, এলিট্ শ্ৰেণীৰ লোক। সেই মতে, শিক্ষক, উকিল, চৰকাৰী আমোলা, চিকিৎসক, লেখক, সাংবাদিক আদি এই শ্ৰেণীৰ অন্তৰ্গত। ইয়াৰ উপৰিও বহু এনে লোক আছে, যিসকল বুদ্ধিক সাৰথি কৰি চলে। পিছে, শুদ্ধ অ্যাকাডেমিক অৰ্থত, এইসকল লোক সমানে বুদ্ধিদীপ্ত নহয়। কাৰণ, Oxford Dictionery ৰ মতে, বুদ্ধিজীৱী হৈছে — 'a person possessing a highly developed intellect.' সেইমতে, সকলো বুদ্ধি খটুওৱা মানুহ মাত্ৰেই বুদ্ধিজীৱীৰ শ্ৰেণীত নপৰিব পাৰে। তদুপৰি, পিছ দুৱাৰেদি চাকৰি লোৱা কৰ্মচাৰী-আমোলা সকলোকো এনে বুদ্ধিজীৱীৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি।

যি কি নহওক, বুদ্ধিজীৱী এগৰাকীয়ে সৰ্বত্ৰ দক্ষতা প্ৰদৰ্শন কৰিব লাগে, এনে দস্তুৰ নাই। নিজৰ বৃত্তিগত দক্ষতা প্ৰদৰ্শন কৰাটোৱে গণতান্ত্ৰিক পথ। ফৰাচী বুদ্ধিজীৱী Micheal Foucault ৰ মতে, এজন বুদ্ধিজীৱীৰ বাবে সামগ্ৰিক দৃষ্টিভঙ্গীৰ দাবী কৰাটো অনুচিত। আজিৰ যুগেই হৈছে 'Compartmentalized যুগ', 'ভিন্ন ভিন্ন বিদ্যাত পাৰ্গত বুদ্ধিজীৱীৰ যুগ।' এই ক্ষেত্ৰত, এড্ৱাৰ্ড ছৈয়ডৰ মন্তব্য প্ৰণিধানযোগ্য — "বিশ্ববিদ্যালয়ৰ উপাধি অৰ্জন কৰা আৰু মননশীল বুদ্ধিজীৱী হোৱা একে কথা নহয়। বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহি সমাজৰ নাগৰিক হোৱাৰ পিছতহে এজন মানুহ বুদ্ধিজীৱী হ'ব পাৰে। বুদ্ধিজীৱী হ'ল এনে এজন মানুহ- যিজনে জ্ঞানৰ বৰ্তমানৰ চাৰিসীমা পাৰ হৈ যাব খোজে, মানুহৰ মনবোৰ জোকাৰি দিয়ে আৰু আনে ক'বলৈ সাহস নকৰা কথাবোৰ কৈ দিয়ে।' বুদ্ধিজীৱীৰ এনে স্বাধীন তথা প্ৰগতিশীল মতামত প্ৰকাশৰ বাবে এক সন্তুলিত পৰিৱেশ সৃষ্টি কৰাৰ দায়িত্ব আকৌ বুদ্ধিজীৱীসকলৰহে। আচলতে শাসক, ৰাজনীতিক আৰু বৌদ্ধিক মহলৰ মাজত সম্পৰ্ক চিৰদিন একে থাকিব বুলি গণতান্ত্ৰিক দেশত আশা কৰা টান। কাৰণ, এই ক্ষেত্ৰত শ্ৰেণী-স্বাৰ্থই সদায় ক্ৰিয়া কৰে। অথচ, তিনিওটা গৌষ্ঠী ঠিকে-ঠাকে থাকিলেহে দেশ প্ৰগতিৰ পথত আগবাঢ়ে। আমি স্মৰণ কৰা উচিত যে "....... চালাকি দিয়ে কোন মহৎ কাজ হয়না।' এয়া স্বামী বিবেকানন্দৰ উক্তি। অৰ্থাৎ গণতান্ত্ৰিক দেশত ৰাজনীতিকে নিজৰ সংস্কৃতি বৰ্তাই ৰাখক, চৰকাৰে জনকল্যাণৰ বাবে গুৰুত্ব দিয়ক আৰু বুদ্ধিজীৱীয়ে নিজৰ 'ইজম'ৰ উৰ্দ্ধত থাকি স্বাধীন তথা ইতিবাচক মন্তব্য প্ৰদান কৰক ইত্যাদি।

যিয়েই নহওক, সাধাৰণ সমালোচনাত্মক দৃষ্টিভঙ্গী, তথ্য আৰু তত্বৰ সমাহাৰ ঘটোৱাৰ গুণ, সামুদায়িক দৃষ্টিভঙ্গী, সাময়িকী জ্ঞান, মূল্যবোধৰ প্ৰতি সচেতনতা আৰু বৌদ্ধিক সততা আদিয়েই বুদ্ধিজীৱীৰ সাধাৰণ বৈশিষ্ট্য। এনেবোৰ বৈশিষ্ট্য বজাই ৰখাৰ ক্ষেত্ৰত মুক্ত চিন্তাৰ পৰিবেশৰ প্ৰয়োজন। অসম তথা ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত এনে পৰিৱেশৰ অভাৱ আছিল। যি এক উমৈহতীয়া মানসিকতাৰে ভাৰতৰ স্বাধীনতাৰ বাবে মানুহে বৃটিছৰ বিৰুদ্ধে যুজিছিল, স্বাধীনতা পোৱাৰ পিছত সেইসকল মানুহৰ মাজত প্ৰাদুৰ্ভাৱ ঘটিল নানান সংঘাতৰ; সেইবোৰে সৃষ্টি কৰিলে সাম্প্ৰদায়িকতা, গোষ্ঠীদ্বন্দ্ব, বিভেদ ইত্যাদি। সেইবোৰকে বৃটিছৰ বিভেদ-নীতি বুলি অনেকে কুৎসাৰটনা কৰিলে।